[২০১৮] ৬ এছ চি আৰ ৫৯৩

অসম ৰাজ্য

বনাম

ভাৰত চৰকাৰ আৰু অন্যান্য

(১৯৮৮ চনৰ মূল মোকৰ্দমা নং ২ ত দাখিল কৰা ২০১৭ চনৰ অন্তৰ্বৰ্ত্তী আবেদন নং ৮০৭৮৯)

২০ জুলাই , ২০১৮

**[মুখ্য ন্যায়াধীশ দীপক মিশ্ৰ, ন্যায়াধীশ এ. এম. খানৱিলকাৰ আৰু ড. ডি. ৱাই. চন্দ্ৰচূড়]**

*দেৱানী কাৰ্যবিধি, 1908: অৰ্ডাৰ XI ৰুল 14, অৰ্ডাৰ VII ৰুল 14- নথিপত্ৰ দাখিল কৰা-ভৌগোলিক মানচিত্ৰ-অসম আৰু নাগালেণ্ডৰ মাজত সীমা বিবাদ- ভাৰতৰ জৰীপ বিভাগৰ সংশ্লিষ্ট এজন ব্যক্তি দ্বাৰা টোপো-শ্বীটৰ প্ৰমাণিত প্ৰতিলিপি দাখিল কৰা -অৱশ্যে অসম চৰকাৰে আৰু কিছুমান ভৌগোলিক মানচিত্ৰ দাখি কৰিবলৈ বিচাৰিছিল-নাগালেণ্ড চৰকাৰে উত্থাপন কৰা আপত্তি যে নথিপত্ৰ দাখিল কৰাৰ অনুমতি বিচাৰিছিল আৰু এই আদালতে মঞ্জুৰ কৰিছিল আৰু বৰ্তমানৰ পৰ্যায়ত অতিৰিক্ত নথিপত্ৰ দাখিল কৰাৰ অনুমতি দিব নোৱাৰি- বিচাৰ কৰা হয়- নথিপত্ৰসমূহ আবেদনকাৰীৰ হাতত নাছিল আৰু এই আদালতৰ পূৰ্বৰ আদেশ মতে অসম চৰকাৰক এই পৰ্যায়ত নথি উপস্থাপন কৰিব বিচাৰাত বাধা দিব নোৱাৰি- ভাৰতীয় জৰীপ বিভাগৰ সাক্ষীৰ দ্বাৰা নথিপত্ৰসমূহ উপস্থাপন কৰাটো ন্যায়ৰ স্বাৰ্থত অনুমতি দিয়া উচিত।*

**এই বিষয়টো অসম আৰু নাগালেণ্ডৰ মাজৰ সীমা বিবাদত ভৌগোলিক মানচিত্ৰ প্ৰস্তুত কৰাৰ সৈতে সম্পৰ্কিত।**

**অন্তৰ্বৰ্তী আবেদনখন নিষ্পত্তি কৰি আদালতে বিচাৰ কৰে যে-**

**মানচিত্ৰসমূহ দাখিল কৰাৰ অনুমতি নিদিয়াৰ কোনো কাৰণ নাই। সাক্ষী নং ৯ৰ সাক্ষ্য লিপিবদ্ধ কৰা হৈছে। ন্যায়ৰ স্বাৰ্থত ভাৰতীয় জৰীপ বিভাগৰ সাক্ষীৰ দ্বাৰা নথিপত্ৰসমূহ উপস্থাপন কৰাৰ অনুমতি দিয়া উচিত। নথিপত্ৰসমূহ আবেদনকাৰীৰ হাতত নাছিল আৰু এই আদালতৰ পূৰ্বৰ আদেশ মতে অসম চৰকাৰক এই পৰ্যায়ত নথি উপস্থাপন কৰাটো বিচৰাত**

**বাধা দিব নোৱাৰি। অৱশ্যে, এইটো স্পষ্ট কৰা হৈছে যে নথিপত্ৰসমূহৰ প্ৰাসংগিকতা বা গ্ৰহণযোগ্যতাৰ বিষয়ে আলোচনা কৰা হোৱা নাই। পৰামৰ্শ অনুসৰি এনে আপত্তি উত্থাপন কৰাৰ বাবে নাগালেণ্ড চৰকাৰৰ বাবে মুকলি থাকিব। [দফা ৩] [596-বি-চি]**

দেৱানী মূল অধিকাৰক্ষেত্ৰ- ১৯৮৮ চনৰ মূল মোকৰ্দমা নং ২ ত দাখিল কৰা ২০১৭ চনৰ অন্তৰ্বৰ্ত্তী আবেদন নং ৮০৭৮৯ ।

অশোক এইচ. দেশাই, কে. এন. বালাগোপাল, জ্যেষ্ঠ অধিবক্তা, মনোজ গোৱেল, শুভদীপ ৰয়, দশৰথ ডেকা, পি. পৰমেশ্বৰন, মোহিত ডি. ৰাম, জি. ৰামকৃষ্ণ প্ৰসাদ, সুয়োধন বাইৰাপানেনি, মহম্মদ ৱাছে খান, শ্ৰীমতী ফিলজা মুনিছ, এ. পি. মুকুন্দ, শ্ৰীমতী নিত্যা নাম্বিয়াৰ, মহিন্দৰ চাইনী, জিতেন্দ্ৰ চাইনী, ভিস্তো ৰিঅ , অনিল শ্ৰীবাস্তৱ, ৰিতুৰাজ চৌধুৰী, এছ. ৱাছিম এ. কাদৰী, শ্ৰীমতী বিনু তাম্টা, শ্ৰীমতী ভাৰতী ত্যাগী, বি. ভি. বলৰাম দাস, পক্ষ সমুহৰ হৈ অধিবক্তাসকল ।

আদালতৰ ৰায়দান প্ৰদান কৰে

**ন্যায়াধীশ ড. ডি. ৱাই. চন্দ্ৰচূড়ে-**

১. এই আদালতত দাখিল কৰা এই মোকৰ্দমাৰ বিষয় বস্তু হল অসম আৰু নাগালেণ্ডৰ মাজৰ সীমা বিবাদ । ভাৰতীয় জৰীপ বিভাগৰ সাক্ষী নং৯- মহম্মদ ছফিকুৰ ৰহমানৰ সাক্ষ্যগ্ৰহণ ২০১৭  চনৰ ৩০ জানুৱাৰীত আৰম্ভ হৈছিল। ২০১৭  চনৰ ৩০ জানুৱাৰীত লোৱা সাক্ষ্যগ্ৰহণৰ সময়ত সাক্ষী নং৯-য়ে ৩৩ খন টোপো-শ্বীটৰ প্ৰমাণিত প্ৰতিলিপি দাখিল কৰিছিল। প্ৰাসংগিক ভৌগোলিক মানচিত্ৰ দাখিল কৰণ প্ৰক্ৰিয়াত, অসম ৰাজ্যই আৰু কিছুমান মানচিত্ৰ দাখিল কৰাটো বিচাৰিছিল।

২. ২০১৫ চনৰ ২ জুলাইত এই আদালতে কিছুমান মানচিত্ৰ দাখিল কৰাৰ অনুমতি দিছিল। অসম ৰাজ্যৰ মতে মানচিত্ৰবোৰ ডেৰাডুনত থকা ভাৰতীয় জৰীপৰ মুখ্য কাৰ্যালয়ত থাকে আৰু সেইবোৰ ৰাজ্য চৰকাৰৰ হাতত বা নিয়ন্ত্ৰণত নাথাকে। সাক্ষী নং ৯-ৰ সাক্ষ্যগ্ৰহণৰ সময়ত অসম ৰাজ্যই ২৪ ফেব্ৰুৱাৰী ২০১৭, ৭ মাৰ্চ ২০১৭ আৰু ৬ এপ্ৰিল ২০১৭ তাৰিখৰ

চিঠিৰ জৰিয়তে কিছুমান ভৌগোলিক মানচিত্ৰ দাখিল কৰিবলৈ বিচাৰিছিল। ২০১৭ চনৰ ৬ এপ্ৰিল তাৰিখৰ পত্ৰৰ বাবে সাক্ষী নং ৯য়ে ২০১৭ চনৰ ১৮ জুলাইত মানচিত্ৰসমূহ দাখিল কৰিবলৈ বিচাৰিছিল। অৱশ্যে, এই ক্ষেত্ৰত নাগালেণ্ড ৰাজ্যই ইয়াৰ বিৰোধিতা কৰিছিল যে যিহেতু নথিপত্ৰ দাখিল কৰাৰ বাবে অনুমতি বিচৰা হৈছিল আৰু এই আদালতৰ দ্বাৰা মঞ্জুৰ কৰা হৈছিল, গতিকে সাক্ষীক বৰ্তমান পৰ্যায়ত অতিৰিক্ত নথিপত্ৰ দাখিল কৰিবলৈ অনুমতি দিব নোৱাৰি। নাগালেণ্ডৰ আপত্তিৰ প্ৰতি লক্ষ্য ৰাখি এই আবেদনখন দাখিল কৰা হৈছে। আবেদনৰ ৪ নং দফাত বৰ্ণনা কৰা দাখিল কৰা মানচিত্ৰসমূহ বিচাৰি উলিওৱা হৈছে যিবোৰ তলত দেখুওৱা হৈছেঃ

| ক্ৰমিক নং | টপো মেপ নং আৰু স্কেল | ক্ৰমিক নং | টপো মেপ নং আৰু স্কেল |
|---|---|---|---|
| ১. | ৮৩জি-১৩-(১ ইঞ্চিৰ পৰা এক মাইললৈ) (১৯২৩) | ৫. | ৮৩জি- (১ ইঞ্চিৰ পৰা ৪ মাইল ) |
| ২. | ৮৩জে৬-(১ ইঞ্চিৰ পৰা এক মাইললৈ) (১৯৩৭) | ৬. | ৮৩জে-(১ ইঞ্চিৰ পৰা ৪ মাইললৈ) |
| ৩. | ৮৩জে৯- (১ ইঞ্চিৰ পৰা এক মাইললৈ) (১৯৩৮) | ৭. | ৮৩এন- (১ ইঞ্চিৰ পৰা ৪ মাইল) (১৯৩৬) |
| ৪. | ৮৩জে ১৩-(১ ইঞ্চিৰ পৰা এক মাইললৈ ) (১৯২৫) | | |

দেৱানী কাৰ্যবিধি, 1908: অৰ্ডাৰ XI ৰুল 14ত এনেদৰে উল্লেখ কৰা হৈছেঃ

"১৪) নথি-পত্ৰ দাখিল- আদালতে গোচৰৰ যিকোনো পক্ষক গোচৰৰ চলি থকাৰ যিকোনো সময়তে গোচৰৰ সৈতে জড়িত নথি-পত্ৰ দাখিল কৰিবলৈ নিৰ্দেশ দিব পাৰে। এই নথি-পত্ৰসমূহ পক্ষৰ হাতত বা নিয়ন্ত্ৰণত থাকিব লাগিব আৰু সেইবোৰ উপস্থাপন কৰাৰ পিছত আদালতে সেইবোৰ কেনেকৈ বিচাৰ কৰিব সেইটো সিদ্ধান্ত ল'ব।

দেৱানী কাৰ্যবিধি, 1908: অৰ্ডাৰ VII ৰুল 14ত এনেদৰে উল্লেখ কৰা হৈছেঃ

**"বাদীয়ে গোচৰ কৰা বা নিৰ্ভৰ কৰা নথিপত্ৰ দাখিল:**

(১) যি ক্ষেত্ৰত কোনো বাদীয়ে কোনো নথিৰ ওপৰত গোচৰ দাখিল কৰে বা নিজৰ দাবীৰ সমৰ্থনত নিজৰ হাতত থকা বা ক্ষমতাত থকা নথিপত্ৰৰ ওপৰত নিৰ্ভৰ কৰে, তেনে নথিপত্ৰ

তালিকাভুক্ত কৰি দাখিল কৰিব লাগিব, আৰু আৰ্জি দাখিল কৰাৰ সময়ত আদালতত দাখিল কৰিব লাগিব আৰু একে সময়তে তেনে নথিপত্ৰ আৰু ইয়াৰ প্ৰতিলিপি আৰ্জিৰ সৈতে দাখিল কৰিব লাগিব।

(২) যি ক্ষেত্ৰত এনে কোনো নথিপত্ৰ বাদীৰ হাতত বা ক্ষমতাত নাথাকে, তেনে ক্ষেত্ৰত সেই নথি কাৰ হাতত বা ক্ষমতাত আছে সেই বিষয়ে যদি সম্ভৱ হয় বাদীয়ে উল্লেখ কৰিব।

(৩) আৰ্জি দাখিল কৰাৰ সময়ত বাদীয়ে আদালতত উপস্থাপন কৰিব লগা বা আৰ্জিৰ সৈতে সংযোগ বা সংযুক্ত কৰিব লগা বা তালিকাত দাখিল কৰিব লগা, কিন্তু দাখিল নকৰা যিকোনো নথি আদালতৰ অনুমতি অবিহনে মোকৰ্দমাৰ শুনানিৰ সময়ত তেওঁৰ পক্ষে সাক্ষ্য হিচাপে গ্ৰহণ কৰা নহ'ব ।

(৪) এই নিয়মৰ কোনো কথাই বাদীৰ সাক্ষীসকলৰ জেৰাৰ বাবে দাখিল কৰা নথিপত্ৰৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব, বা কেৱল সাক্ষীসকলৰ স্মৃতি সতেজ কৰিবলৈ সাক্ষীসকলক অৰ্পন কৰা নহ'ব।"

৩. বিদ্বান অধিবক্তাসকলৰ যুক্তি শুনাৰ পিছত আৰু নাগালেণ্ড ৰাজ্যৰ আপত্তি বিবেচনা কৰাৰ পিছত, আমি মানচিত্ৰ দাখিল কৰাৰ অনুমতি নিদিয়াৰ কোনো কাৰণ দেখা নাই। সাক্ষী ৯ৰ সাক্ষ্য লিপিবদ্ধ কৰা হৈছে। আমাৰ মতে, ন্যায়ৰ স্বাৰ্থত ভাৰতীয় জৰীপ বিভাগৰ সাক্ষীৰ দ্বাৰা ওপৰোক্ত নথিপত্ৰসমূহ উপস্থাপন কৰিবলৈ অনুমতি দিয়া উচিত। নথিপত্ৰসমূহ আবেদনকাৰীৰ হাতত নাছিল আৰু এই আদালতৰ পূৰ্বৰ আদেশ মতে অসম চৰকাৰক এই পৰ্যায়ত নথি উপস্থাপন কৰিব বিচৰাত বাধা দিব নোৱাৰি। অৱশ্যে, এইটো স্পষ্ট কৰা হৈছে যে নথিপত্ৰসমূহৰ প্ৰাসংগিকতা বা গ্ৰহণযোগ্যতাৰ বিষয়ে আলোচনা কৰা হোৱা নাই। পৰামৰ্শ অনুসৰি এনে আপত্তি উত্থাপন কৰাৰ বাবে নাগালেণ্ড চৰকাৰৰ বাবে মুকলি থাকিব।

৪. ওপৰত উল্লেখ কৰা কথাখিনিৰ ওপৰত নিৰ্ভৰ কৰি নথি দাখিল কৰাৰ বাবে কৰা আবেদন অনুমতি দিয়া হল। সেই অনুসৰি অন্তৰৰ্তীকালীন আবেদন নিষ্পত্তি কৰা হয়।

নিধি জৈন

অন্তৰ্ৱৰ্তীকালীন আবেদন নিষ্পত্তি কৰা হ'ল।

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)